REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-10-2023
Time : 1800 Hrs.

## ASSAMESE EVENING BULLETIN

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশত এক তাৰিখ এঘণ্টা, একেলগে শীৰ্ষক চাফাই অভিযান চলোৱা হয়। দেশৰ অন্য প্ৰান্তৰ লগতে অসমৰ ভিন্ন অঞ্চলত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এক তাৰিখ এঘণ্টা একেলগে কাৰ্যসূচীৰ অধীনত আজি দিনৰ ১০ বজাত গান্ধী মণ্ডপত শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ সৈতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘাল আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ চাফাই কৰ্মীসকলৰ বাবে ৰাজ্য চৰকাৰে ৫০০ কোটি টকা ব্যয়সাপেক্ষে ২হেজাৰ নতুন ঘৰ নিৰ্মাণ কৰাৰ অভিলাষী আঁচনি হাতত লৈছে বুলি উল্লেখ কৰে। চাফাই কৰ্মচাৰীৰ সন্তানে মেট্ৰিকত উত্তীৰ্ণ হ'লে বছৰি ১০ হাজাৰ টকা, উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হ'লে ১৫হাজাৰ টকা, চিকিৎসা, অভিযান্ত্ৰিক আদি বৃত্তিমুখী পাঠ্যক্ৰম পঢ়িলে ৫০ হাজাৰ টকাৰ জলপানি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে আজি ৰাজ্যৰ ২২হাজাৰ ৪২২ টা স্থানত শ্ৰমদান কাৰ্যসূচী অনুষ্ঠিত হৈছে।

আনহাতে, কৃষিমন্ত্ৰী অতুল বৰাই বিষয়া কৰ্মচাৰীসকলৰ সৈতে খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদত এঘণ্টা শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদ কুইন ওজাই মহানগৰীৰ নলিনীবালা দেৱী উদ্যানত শ্ৰমদান কাৰ্যসূচীত অংশ লয়। একেদৰে, গুৱাহাটী পৌৰ নিগমেও আজি দিনৰ ১০ বজাৰ পৰা সমগ্ৰ পৌৰ নিগম এলেকাত সৰ্বমুঠ ১২০ টা কাৰ্যসূচী হাতত লয়।

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে চহৰখনৰ এ এছ টি চি বাছ আস্থানৰ পৰা চাফাই অভিযানৰ শুভাৰম্ভ কৰে। এই চাফাই কাৰ্যসূচীত অতিৰিক্ত আয়ুক্ত, পৌৰ আয়ুক্ত, আৰক্ষী আৰু চি আৰ পি এফ বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ কৰে।

এক তাৰিখ এঘণ্টা শীৰ্ষক অভিযানৰ অধীনত কৰিমগঞ্জ জিলাৰ ভিন্ন স্থানত চাফাই অভিযান ৰূপায়ন কৰা হয়। জিলাখনৰ সকলো চৰকাৰী বে-চৰকাৰী অনুষ্ঠান, শিক্ষানুষ্ঠান আৰু সংগঠনৰ সহযোগত সকলো প্ৰান্তত শ্ৰমদান কাৰ্যসূচী ৰূপায়ন কৰা হয়।

এন ডি আৰ এফৰ প্ৰথম বেটেলিয়ানৰ উদ্যোগত আজি স্বচ্ছতা সেৱাৰ অংশ হিচাপে আৰু গান্ধী জয়ন্তীৰ প্ৰাক্ মুহূৰ্তত বেটেলিয়ানৰ কমাণ্ডেণ্ট এইছ পি এছ কাণ্ডাৰীৰ নেতৃত্বত চাৰিগৰাকী বিষয়া আৰু ৩৭৫গৰাকী জোৱানে গুৱাহাটীৰ ভিন্ন প্ৰান্তত দিনৰ ১০বজাৰ পৰা ১১ বজালৈ এঘণ্টাৰ স্বচ্ছতা অভিযানত অংশ লয়।

একেদৰে, শোণিতপুৰ জিলাৰ বিভিন্ন অঞ্চলত এই অভিযান ৰূপায়ন কৰা হয়। বিধায়ক গণেশ কুমাৰ লিম্বুৱে বৰচলা সমষ্টিৰ বৰভগীয়া বেলচিৰি আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত চাফাই কাৰ্যসূচীত অংশ লয়।

স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই মৰিগাঁও জিলাত স্বচ্ছতাই সেৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

এই অভিযানৰ সৈতে সংগতি ৰাখি ওদালগুৰি জিলাৰ বিভিন্ন স্থানৰ লগতে টংলা পৌৰ সভা, ৰে'ল ষ্টেচন, বাছ আস্থান, বজাৰস্থলী, চিকিৎসালয়ত সমূহীয়াকৈ শ্ৰমদান কাৰ্যসূচী আয়োজন কৰা হয়।

বৰপেটা জিলাৰ সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান, কাৰ্যালয়, সংগঠনৰ সহযোগত জিলাখনৰ সকলো প্ৰান্তত এঘণ্টাৰ বাবে শ্ৰমদান কাৰ্যসূচী ৰূপায়ন কৰা হয়।

একেদৰে, শিৱসাগৰ জিলাতো পৌৰ সভাৰ নেতৃত্বত বৃহৎ স্বচ্ছতা অভিযান চলোৱা হয়। অ' এন জি চি-ৰ অসম সম্পদৰ লগতে চি আৰ পি এফৰ ১৪৯ নম্বৰ বেটেলিয়নে শিৱদৌলকে ধৰি বিভিন্ন ঠাইত স্বচ্ছতা অভিযান ৰূপায়ন কৰে।

এক তাৰিখ এঘণ্টা শীৰ্ষক কাৰ্যসূচীৰ অধীনত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলে শ্ৰীশ্ৰীগড়মূৰ সত্ৰত শ্ৰমদান কৰে।

আন আন জিলাসমূহৰ লগতে  যোৰহাট, চৰাইদেউ,কাৰ্বি আংলং, নগাঁও, বাক্সা, ওদালগুৰি, ধুবুৰী জিলাতো স্বচ্ছতাই সেৱাৰ অংশ হিচাপে এক তাৰিখ এঘণ্টা শ্ৰমদান কাৰ্যসূচী সম্পন্ন কৰা হয়।

০০০০০০০

আজি অসম আৰক্ষী দিৱস। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ কাহিলিপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ান চৌহদত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ইণ্টেলিজেঞ্চ ব্যুৰ'ৰ সঞ্চালক তপন ডেকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। আনহাতে এই দিৱসৰ সৈতে সংগতি ৰাখি অসম আৰক্ষীৰ বিভিন্ন পদবীত কৰ্মৰত ৯০ গৰাকীলৈ ২০২৩ বৰ্ষৰ বাবে পদক আগবঢ়োৱা কথা ঘোষণা কৰা হৈছে। অসম আৰক্ষী দিৱস উপলক্ষে ডি জি পিৰ উৎকৃষ্ট সেৱা মেডেলৰ বাবে তিনিচুকীয়া জিলা আৰক্ষীৰ দুজন বিষয়া নিৰ্বাচিত হৈছে। তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামে সোণৰ মেডেল আৰু উপ-পৰিদৰ্শক তথা মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি বৰুৱাই ৰূপৰ মেডেল লাভ কৰিছে।

আনহাতে, তিনিচুকীয়া জিলা আৰক্ষীৰ উদ্যোগতো অসম আৰক্ষী দিৱস পালন কৰা হয়। পতাকা উত্তোলন পিছতে আৰক্ষীসকলক শপতবাক্য পাঠ কৰোৱা হয়।

একেদৰে যোৰহাট আৰক্ষীৰ উদ্যোগতো যোৰহাট পুলিচ ৰিজাৰ্ভত অসম আৰক্ষী দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ন কৰা হয়। লগতে জনহিত জনসেৱাৰ্থে এই বাণী সৰোগত ন্যায় নিষ্ঠ আৰু বলিষ্ঠভাৱে ৰাইজক সেৱা আগবঢ়োৱাৰ বাবে পুনৰ  সংকল্প গ্ৰহণ কৰা হয়। আৰক্ষীসকলে যাত্ৰীৰ বাবে সৰ্বস্ব বলিদান দিয়া অসম আৰক্ষীৰ জোৱানসকলৰ অদম্য সাহস আৰু ত্যাগক স্মৰণ কৰে।

০০০০০০

দেশী-বিদেশী পৰ্যটকৰ বাবে আজিৰেপৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হৈছে। বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে আনুষ্ঠানিকভাৱে উদ্যানখনৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। এই অনুষ্ঠানত কেইবাগৰাকীও দেশী-বিদেশী পৰ্যটকে ধৰি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ কেইবাগৰীও বিষয়াও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে যোৱা ৫ জুনৰ পৰা বাৰিষাৰ কাৰণে পৰ্যটকৰ বাবে উদ্যানৰ প্ৰৱেশ দ্বাৰ বন্ধ আছিল। শেহতীয়া গণনা অনুসৰি উদ্যানখনত ১৭২ টা দল হৰিণা, ৫৭টা বাঘ আৰু ৫০টা গড় আছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ সিদ্ধান্ত অনুসৰি কাইলৈৰ পৰা ২৫০ মিলিলিটাৰ পানী বটল নিষিদ্ধ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰিছে। চৰকাৰৰ সিদ্ধান্ত অনুসৰি ৫০০ মিলিলিটাৰৰ পানী বটল অহা বছৰৰ ২ অক্টোবৰৰ পৰা নিষিদ্ধ হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমীয়া বহু থলুৱা উদ্যোগীয়ে ৫০০ মিলিলিটাৰৰ পানী বটলৰ উদ্যোগ স্থাপন কৰিছে। তেওঁলোকে এই ৫০০ মিলিলিটাৰৰ পানীৰ উদ্যোগ এক লিটাৰলৈ পৰিৱৰ্তন কৰিব পাৰে তাৰ বাবে এবছৰৰ সময় বিচাৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। আনহাতে, ৫০০ মিলিলিটাৰৰ পৰা এক লিটাৰৰ উদ্যোগলৈ পৰিবৰ্তন কৰিব বিচৰা উদ্যোগীসকলক ১০ শতাংশ ৰাজসাহায্য দিয়া হ'ব বুলি তেওঁ ঘোষণা কৰে।

০০০০০০০